# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাজ্য চৰকাৰৰ আন্তঃগাঁথনিমূলক উন্নয়নৰ পদক্ষেপ হিচাপে নতুন বছৰৰ পহিলা দিনটোত গুৱাহাটীৰ পল্টন বজাৰত পদপথ সেঁতু আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। ২০২১-২২ বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত প্ৰায় এহেজাৰ ৬৬৬ কোটি টকা ব্যয়ৰে এই পদপথ সেঁতু নিৰ্মাণ কৰি উলিওৱা হৈছে। সেইদিনাই শিলপুখুৰীত ভাৰতৰত্ন গোপীনাথ বৰদলৈ সমাধি স্থলত প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ আৱক্ষ মূৰ্তি উদ্বোধন কৰা হ'ব। এক কোটি ২৬ লাখ টকা ব্যয়ৰে নিৰ্মিত প্ৰকল্পটোৰ অধীনত পুথিভঁৰাল ভৱন, শিশুৰ খেল-ধেমালি ক্ষেত্ৰ আদিৰ নিৰ্মাণ কৰা হৈছে। দুয়োটা প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থকাৰ কথা।

oooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাত আজি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিক অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান কৰা হ'ব। ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰিব। **ধাৰ আৰু অন্যান্য গল্প** পুথিখনৰ বাবে তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে।

oooooo

কোকৰাঝাৰ জিলাৰ প্ৰকৃতি প্ৰেমী সংস্থা অৰণ্য সুৰক্ষা সমিতি অসমে পৰিভ্ৰমী পক্ষীৰ সংৰক্ষণৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজিৰে পৰা পক্ষী আদৰণি উৎসৱৰ আয়োজন কৰিছে। জিলাখনৰ মহামায়া বনাঞ্চলৰ সমীপৱৰ্তী বগৰীবাৰি উচ্চ মাধ্যমিক বিদ্যালয়ত এই উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। বিৰল প্ৰজাতিৰ বগাপিঠিয়া শগুণৰ বসতিস্থল মহামায়া বনাঞ্চললৈ প্ৰতি বছৰে বহু পৰিভ্ৰমী পক্ষীৰ আগমন ঘটে।

oooooo

নৱবৰ্ষৰ প্ৰাক ক্ষণত ৰাজ্যৰ বিভিন্ন প্ৰান্তত পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ বাতৰি আমালৈ আহিছে। বঙাইগাঁও জিলাৰ কাকৈজানাত আজি পুৱা দুখন গাড়ীৰ মাজত মুখামুখিকৈ খুন্দা লগাৰ ফলত এখন গাড়ীৰ চালকজনৰ থিতাতে মৃত্যু হয়। ঘন কুঁৱলীৰ বাবে এই দুৰ্ঘটনা সংঘটিত হয় বুলি সন্দেহ কৰা হৈছে। গোলাঘাট জিলাৰ দেৰগাঁৱত কালি নিশা সংঘটিত আন এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। দেৰগাঁও আৰু দিছৈ চাৰিআলি সংযোগি পথত তীব্ৰবেগী এখন গাড়ীয়ে মহতিয়াই নিয়াৰ ফলতে দেৰগাঁৱৰ তিনি নম্বৰ ৱাৰ্ডৰ অলক ৰাজপুত নামৰ লোকজনৰ মৃত্যু হয়।

০০০০০০

ৰাজ্যিৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ কল্যাণৰ হকে ৰাজ্য চৰকাৰে কাইলৈৰ পৰা বিশেষ ব্যৱস্থাৰ সূচনা কৰিছে। সেই অনুসৰি কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি পাৰস্পৰিক বদলিকৰণৰ পোৰ্টেল স্বাগত সতীৰ্থ মুকলি কৰা হ'ব। কৰ্মচাৰীসকলে চাকৰি কালত দুবাৰকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিব।

০০০০০০

শিৱসাগৰ টেনিছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত শিৱসাগৰ মুকলি টেনিছ প্ৰতিযোগিতাত আৰাইনা টি আহমেদ আৰু নিব্ৰাজ কে হুছেইনে খিতাপ অৰ্জন কৰিছে। ছোৱালীৰ ১২ আৰু ১৪ বছৰ অনুৰ্দ্ধৰ ফাইনেলত শিৱসাগৰৰ আৰাইনাই গোলাঘাটৰ দিবান্ধতী তামুলীক হৰুৱাই খিতাপ দখল কৰে। ১৪ বছৰ অনুৰ্ধৰ ছিংগলছৰ ফাইনেলত শিৱসাগৰৰ নিৰাছে গুৱাহাটীৰ চন্দ্ৰশেখৰ মোহান্তিক পৰাস্ত কৰি খিতাপ দখল কৰে। ১৪ বছৰ অনুৰ্ধৰ ডাবলছৰ ফাইনেলত নিব্ৰাছে চন্দ্ৰশেখৰৰ সৈতে যুটী বান্ধি শিৱসাগৰৰ ৰিয়ানজ্যোতি দত্ত আৰু অনয় শৰ্মাক পৰাস্ত কৰে। ছোৱালীৰ ১৮ বছৰ অনুৰ্ধৰ শিতানত গোলাঘাটৰ নাবিহা মাৰিয়মে শিৱসাগৰৰ আদ্ৰিকা ৰাজকুমাৰীক আৰু ল'ৰাৰ শাখাত গুৱাহাটীৰ আৰুছ দাসে নুমলীগড়ৰ ৰেইনাৰ্ড পি বি কাশ্যপক হৰুৱাই খিতাপ হস্তগত কৰে। পুৰুষৰ ডবল্‌ৰ ফাইনেলত অইল ইণ্ডিয়াৰ উদিত গগৈ আৰু ইফতিকাৰ শ্বেখে এন এফ ৰেলৱেৰ টুটু থাপা আৰু সুধান্ত মোহান্তিৰ যুটিক পৰাস্ত কৰে। ইফালে, ভেটাৰেনৰ ৪০ বছৰ উৰ্দ্ধৰ ডাবল্‌ছত জাকিৰ বৰাই দিলীপ মোহান্তিৰ সৈতে আৰু ৫০ বছৰ উৰ্দ্ধত জাকিৰে হাবিব আলীৰ সৈতে যুটী বান্ধি খিতাপ হস্তগত কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২৪ বৰ্ষৰ গড় নিধন ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰাৰ লগতে ৰাষ্ট্ৰীয় উদ্যানখনত এইবাৰ পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্ধৃতি দি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে এই বছৰটোত চোৰাং চিকাৰীৰ হাতত দুটা গড় নিধন হোৱাৰ বিপৰীতে ২৪ জন চোৰাং চিকাৰীক আটক কৰা হৈছে। পৰ্যটনৰ ক্ষেত্ৰত এইবছৰৰ অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ মাহৰ ভিতৰত দুই লাখ ২০ হাজাৰ দেশী-বিদেশী পৰ্যটকৰ উদ্যানখনলৈ আগমন ঘটিছে আৰু ৫ কোটি ৭০ লাখ টকা আয় হৈছে।

০০০০০০

হকী ইণ্ডিয়া লীগৰ কালি নিশা অনুষ্ঠিত এখন খেলত ইউ পি ৰুদ্ৰাছ্ দলে যোৱাবাৰৰ বিজয়ী কালিংগ লেন্সাৰ্ছক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত ইউ পি ৰুদ্ৰাছৰ হৈ কেন ৰাছেলে দুটা আৰু সুদীপ শিৰমাকোৱে এটা গ'ল দিয়াৰ লগতে কালিংগ লেন্সাৰ্ছৰ হৈ এনৰিক গোঞ্জালেজে একমাত্ৰ গ'লটো দিয়ে। ইউ পি ৰুদ্ৰাছৰ গ'লৰক্ষক জেমছ্ মাজাৰেল'ক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। উল্লেখযোগ্য যে লীগৰ আজি নিশা এখন খেলত দিল্লীৰ এছ্ জি পাইপাৰ্ছ দল হায়দৰাবাদ তুফানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উদ্যোগত আজি নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

০০০০০০

সমাপ্ত